# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। ভাৰত আৰু আংগোলাই কৃষি, পৰম্পৰাগত চিকিৎসা আৰু সংস্কৃতিকে ধৰি বিভিন্ন ক্ষেত্ৰত কেইবাখনো চুক্তিত স্বাক্ষৰ কৰিছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মধ্যস্থতা ন্যায় প্ৰদান প্ৰক্ৰিয়াত আৱশ্যকীয় অংগ বুলি প্ৰকাশ কৰিছে।

৩। পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত ভাৰতে পাকিস্তানৰ পৰা অহা সকলো ধৰণৰ মেইল আৰু পাৰ্ছেলৰ আদান প্ৰদানত নিষেধাজ্ঞা জাৰি কৰিছে।

৪। মুম্বাইত চলি থকা ৱেভছ্ সন্মিলন ২০২৫ৰ আজি তৃতীয় দিনা স্পটিফাই হাউছ, ইভ'লিউছ্যন অব ফ'ক মিউজিক ইন ইণ্ডিয়া শীৰ্ষক আকৰ্ষণীয় অনুষ্ঠানৰ আয়োজন কৰা হয়। *আৰু*

৫। আই পি এল টি টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাত কিছুসময়ৰ পাছত ৰয়েল ছেলেঞ্জাৰ্ছ বেগালুৰুৱে চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

ভাৰত আৰু আংগোলাই কৃষি, পৰম্পৰাগত চিকিৎসা আৰু সংস্কৃতিকে ধৰি বিভিন্ন ক্ষেত্ৰত কেইবাখনো চুক্তিত স্বাক্ষৰ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু আংগোলাৰ ৰাষ্ট্ৰপতি জোৱাও মেনুৱেল গোনজাল্‌ৱেজ লোৰেন্সৰ মাজত আজি নতুন দিল্লীত অনুষ্ঠিত প্ৰতিনিধি পৰ্যায়ৰ আলোচনা অন্তত এই চুক্তিকেইখন স্বাক্ষৰিত হয়। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ অৰ্থনৈতিক সম্পৰ্ক সচিব দম্মু ৰবিয়ে কয়, যে আংগোলাই ভাৰতৰ পৰা প্ৰতিৰক্ষা আহিলা পাতি ক্ৰয় কৰিব। আলোচনাত প্ৰতিৰক্ষা সহযোগিতা বিষয়টোৱে স্থান লাভ কৰা বুলি উল্লেখ কৰি শ্ৰীৰবিয়ে কয়, যে প্ৰধানমন্ত্ৰীয়ে দেশখনলৈ ভাৰতীয় টকা ২০ কোটি ডলাৰ পৰিমাণৰ প্ৰতিৰক্ষা ঋণৰ প্ৰস্তাৱ দিছে। ক্ৰয় কৰিবলগীয়া সামগ্ৰী সন্দৰ্ভত ভাৰতৰ ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ কোম্পানীৰ সৈতে আলোচনা চলি আছে বুলি তেওঁ উল্লেখ কৰে। বৈদেশিক মন্ত্ৰালয়ৰ সচিবগৰাকীয়ে কয়, যে আংগোলাৰ ৰাষ্ট্ৰপতিয়ে ভাৰতীয় ভূ-ভাগত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণত কঠোৰ ভাষাৰে গৰিহণা দিছে আৰু জনসাধাৰণৰ প্ৰতি সমবেদনা জ্ঞাপন কৰিছে। তেওঁ কয়, যে নেতা দুগৰাকীৰ আলোচনাত বৰ্তমানৰ সম্বন্ধৰ মূল্যায়ন আৰু সহযোগিতাৰ নতুন ক্ষেত্ৰৰ অন্বেষণকে ধৰি বিভিন্ন বিষয়ে স্থান লাভ কৰে। তেওঁ লগতে কয়, যে আংগোলা সম্প্ৰতি আফ্ৰিকীয় সংঘৰ অধ্যক্ষতাৰ দায়িত্বত আছে আৰু ভাৰত আৰু আফ্ৰিকাৰ মাজত সহযোগিতাৰ দিশৰ পৰা এয়া সচাঁকৈ গুৰুত্বপূৰ্ণ। লোৰেন্সে ২০১৭ চনত ৰাষ্ট্ৰপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত এয়া প্ৰথম ভ্ৰমণ বুলি শ্ৰীৰবিয়ে জানিবলৈ দিয়ে। ৰাষ্ট্ৰপতিগৰাকী এই ভ্ৰমণ ভাৰত আৰু আংগোলাৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৪০ বছৰ আৰু আংগোলাই স্বাধীনতা লাভ কৰাৰ ৫০ বছৰ সম্পূৰ্ণ হোৱাৰ প্ৰতিক বুলি বৈদেশিক সচিবগৰাকীয়ে প্ৰকাশ

কৰে। শ্ৰীৰবিয়ে কয়, যে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আজি অভ্যাগত ৰাষ্ট্ৰপতি গৰাকীৰ সন্মানাৰ্থে নৈশ ভোজমেলৰ আয়োজন কৰিছে। ৰাষ্ট্ৰপতি লোৰেন্সৰ সৈতে হোৱা আলোচনাৰ অন্তত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সন্ত্ৰাসবাদক মানৱ জাতিৰ বাবে ভয়াবহ প্ৰত্যাহ্বান বুলি অভিহিত কৰে। তেওঁ লগতে পেহেলগাম  সন্ত্ৰাসবাদী আক্ৰমণক লৈ ক্ষোভ প্ৰকাশ কৰাৰ লগতে আংগোলাৰ শলাগ লয়। যুটীয়া বিবৃতিত প্ৰধানমন্ত্ৰী মোদীয়ে সন্ত্ৰাসবাদী আৰু তেওঁলোকৰ সমৰ্থকৰ বিৰুদ্ধে কঠোৰ আৰু নিৰ্ণায়ক সিদ্ধান্তৰ প্ৰতি ভাৰত বদ্ধপৰিকৰ। ভাৰত আৰু আংগোলাই সন্ত্ৰাসবাদক মানৱজাতিৰ বাবে সৰ্ববৃহৎ প্ৰত্যাহ্বান বুলি সহমত প্ৰকাশ কৰা বুলি শ্ৰীমোদীয়ে জানিবলৈ দিয়ে। প্ৰধানমন্ত্ৰীয়ে লগতে আংগোলাৰ বাহিনীসমূহৰ আধুনিকীকৰণৰ বাবে ২০ কোটি ডলাৰৰ প্ৰতিৰক্ষা ঋণৰ অনুমোদন জনোৱাৰ কথা ঘোষণা কৰে। প্ৰতিৰক্ষা মঞ্চ আৰু  যোগান ব্যৱস্থা মেৰামতিৰ বিষয়ে আলোচনা কৰা হয় বুলি তেওঁ জানিবলৈ দিয়ে। শ্ৰীমোদীয়ে কয় যে ভাৰত আংগোলাৰ সশস্ত্ৰ বাহিনীসমূহৰ প্ৰশিক্ষণত সহযোগিতা কৰিবলৈ পালে ভাৰত সুখী হ'ব।

তিনিদিনীয়া ভ্ৰমনসূচীৰে কালি নতুন দিল্লীত উপস্থিত হোৱা ৰাষ্ট্ৰপতি জোৱাও লৰেন্সক আজি পুৱা ৰাষ্ট্ৰপতি ভৱনত আনুষ্ঠানিক আদৰণি জনোৱা হয়। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁক আদৰণি জনায়। অভ্যাগত ৰাষ্ট্ৰপতিগৰাকীয়ে ৰাজঘাটলৈ গৈ জাতিৰ পিতা মহাত্মা গান্ধীৰ সমাধিস্থলত শ্ৰদ্ধাঞ্জলি জনায়।

ৰাষ্ট্ৰপতি ভৱনত আতিথ্য গ্ৰহণ কৰি আংগোলাৰ ৰাষ্ট্ৰপতিয়ে সংবাদ মাধ্যমক কয়, যে বিগত ৩৮ বছৰত এয়া হৈছে আংগোলাৰ কোনো এগৰাকী ৰাষ্ট্ৰপতি প্ৰথম ভাৰত ভ্ৰমণ আৰু এয়া আংগোলাৰ বাবে স্মৰণীয় মুহূৰ্ত হৈ থাকিব। তেওঁ এই ভ্ৰমণে ভাৰত আৰু আংগোলাৰ মাজত বন্ধুত্বৰ সম্পৰ্ক দৃঢ় কৰিব বুলি আশা প্ৰকাশ কৰে। বিদেশমন্ত্ৰী ডঃ এছ্ জয়শংকৰে আজি পুৱাৰ ভাগত ৰাষ্ট্ৰপতি ল'ৰেন্সক সাক্ষাৎ কৰে।

oooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে মধ্যস্থতা ন্যায় প্ৰদান প্ৰক্ৰিয়াত আৱশ্যকীয় অংগ বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি ভাৰতীয় মধ্যস্থতা সংস্থাৰ উদ্বোধন আৰু প্ৰথম ৰাষ্ট্ৰীয় মধ্যস্থতা সন্মিলন মুকলি কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে এইদৰে মন্তব্য কৰে। তেওঁ কয় যে মধ্যস্থতাই অকল বিচাৰাধীন সুকীয়া গোচৰৰ ক্ষেত্ৰতে নহয় বৰং অন্য গোচৰৰ বোজা কম কৰি অন্য গোচৰৰ ক্ষেত্ৰতো ন্যায় প্ৰদান প্ৰক্ৰিয়া ত্বৰান্বিত কৰিব পাৰে। তেওঁ কয়, যে ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ সপোন বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত মধ্যস্থতা গুৰুত্বপূৰ্ণ আহিলাৰূপে পৰিগণিত হ'ব পাৰে। তেওঁ কয়, যে মধ্যস্থতা আলোচনা, বুজাপৰা আৰু সহযোগিতাৰ প্ৰসাৰত সহায় কৰে।

সন্মিলনত অংশ লৈ উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্নাই কয়, যে যোৱা দুটা দশকত মধ্যস্থতাই বিবাদ নিষ্পত্তিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ২০১৬ চনৰ পৰা চলিত  বৰ্ষৰ প্ৰথম ভাগলৈ মধ্যস্থতাৰ মাধ্যমেৰে ৭ লাখ ৫৭ হাজাৰৰো অধিক গোচৰ মীমাংসা কৰা হৈছে বুলি তেওঁ মন্তব্য কৰে। সন্মিলনত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীস বি আৰ গৱাই; আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল আৰু এটৰ্ণি জেনেৰেল আৰ ভেংকটৰমণীও উপস্থিত থাকে।

oooo

পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত ভাৰতে পাকিস্তানৰ পৰা অহা সকলো ধৰণৰ মেইল আৰু পাৰ্ছেল আদান প্ৰদানত নিষেধাজ্ঞা জাৰি কৰিছে। যোগাযোগ মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰা অনুসৰি পাকিস্ত্ানৰ পৰা স্থল আৰু বায়ু পথেৰে অহা সকলো ধৰণৰ সামগ্ৰীৰ আদান-প্ৰদান ভাৰতে স্থগিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

০০০০

তথ্য আৰু সম্প্ৰচাৰ ৰাজ্যমন্ত্ৰী ড০ এল মুৰুগানে আজি মুম্বাইত অনুষ্ঠিত ৱেভছ্ সন্মিলনত ভাৰতৰ লাইভ ইভেণ্টছ্ ইকনমি - ষ্টেটেজিক গ্ৰোথ ইমপেৰেটিভৰ প্ৰথমখন শ্বেতপত্ৰ উন্মোচন কৰে। স্বেতপত্ৰখনে ভাৰতৰ দ্ৰুত গতিত সম্প্ৰসাৰিত সক্ৰিয় মনোৰঞ্জন উদ্যোগৰ বিষয়ে এটা বিস্তৃত বিশ্লেষণ বিশেষকৈ এই খণ্ডটোৰ অবিৰত বিৱৰ্তনৰ ক্ষেত্ৰত বৃদ্ধি, কৌশলগত পৰামৰ্শ আগবঢ়ায়। প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি ভাৰতৰ সংগঠিত সক্ৰিয় মনোৰঞ্জন উদ্যোগৰ ১৫ শতাংশ প্ৰসাৰণ ঘটিছে যাৰ ফলত ২০২৪ চনত আনুমানিক ১০৯ কোটি অতিৰিক্ত ৰাজহ বৃদ্ধি পাইছে। প্ৰতিবেদনখনত উল্লেখ কৰা অনুসৰি বিশ্বৰ শীৰ্ষৰ ৫ টা সক্ৰিয় মনোৰঞ্জন শিতানৰ আকৰ্ষণীয় স্থানৰ ভিতৰত ২০৩০ চনৰ ভিতৰত ভাৰতে নিজকে দৃঢ়ভাৱে প্ৰতিষ্ঠা কৰাৰ লক্ষ্য ৰাখিছে।

০০০০

আমেৰিকা যুক্তাৰাষ্ট্ৰৰ প্ৰাক্তন ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা জন ব'ল্টনে কোনেও দক্ষিণ এছিয়াত ব্যাপক সংঘাত নিবিচাৰে যদিও পেহেলগামৰ বৰ্বৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত ভাৰতে পাকিস্তানৰ বিৰুদ্ধে আত্মৰক্ষাৰ ব্যৱস্থা লোৱাৰ অধিকাৰ আছে বুলি মন্তব্য কৰিছে। তেওঁ কয় যে জম্মু কাশ্মীৰৰ জনসাধাৰণক এটা সুস্থিৰ বাতাবৰণৰ বসবাসৰ পৰা বাৰণ কৰাটো আৰু সীমান্তেৰে চলোৱা সন্ত্ৰাসবাদী কাৰ্যকলাপৰ বাবে পৰ্যটকসকলৰ অঞ্চলটো ভ্ৰমণৰ পৰা বিৰত থাকিবলগীয়া হোৱাটো সচাকৈ দুৰ্ভাগ্যজনক।

০০০০

এতিয়া শুনক ৱেভছ্ সন্মিলনৰ বাতৰি **(মনতাজ)**

মুম্বাইত চলি থকা ৱেভছ্ সন্মিলন ২০২৫ৰ আজি তৃতীয় দিনা স্পটিফাই হাউছ, ইভ'লিউছ্যন অব ফ'ক মিউজিক ইন ইণ্ডিয়া শীৰ্ষক আকৰ্ষণীয় অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত দেশৰ ভিন্ন প্ৰান্তৰ লোকসংগীতৰ শিল্পীসকলে মত বিনিময় কৰে। এই অনুষ্ঠানত বিশিষ্ট গীতিকাৰ তথা কেন্দ্ৰীয় চলচ্চিত্ৰ প্ৰমাণীকৰণ পৰিষদৰ অধ্যক্ষ প্ৰসুন যোশী, অসমৰ সংগীত শিল্পী পাপন, লোক সংগীত শিল্পী মালিনী অৱষ্ঠি আৰু যশস্বী শিল্পী ইলা অৰুনে অংশগ্ৰহণ কৰে। অনুষ্ঠানত অংশ লৈ পাপনে লোক সংগীতৰ সৈতে তেওঁৰ যাত্ৰা আৰু চাৰ্ভিয়াত সংগীত পৰিৱেশনৰ সময়ত অসমীয়া লোক সংগীতক দেশখনৰ জনসাধাৰণে কৰা প্ৰশংসাৰ বিষয়ে উল্লেখ কৰে। লোকসংগীতৰ শিপা জনগোষ্ঠীয় জীৱন আৰু আৱেগৰ সৈতে যুক্ত হৈ আছে বুলি তেওঁ উল্লেখ কৰে। এই অনুষ্ঠানত ভাৰতীয় লোকসংগীতৰ চহকী পৰম্পৰাত আলোকপাত কৰা হয়।

ইপিনে, তথ্য আৰু সম্প্ৰচাৰ সচিব সঞ্জয় জাজুৱে ৱেভছ্ বজাৰ ২০২৫ ৰ জৰিয়তে এহেজাৰ কোটিৰো অধিক টকাৰ ব্যৱসায় হোৱা বুলি প্ৰকাশ কৰিছে। মুম্বাইত চলি থকা বিশ্ব দৃশ্য-শ্ৰব্য আৰু মনোৰঞ্জন সন্মিলন ৱেভছৰ আন্তৰাষ্ট্ৰীয় বজাৰ উদ্যম ৱেভছ্ বজাৰ, সংবাদ মাধ্যম আৰু মনোৰঞ্জন উদ্যোগ খণ্ডৰ বাবে আন্তৰাষ্ট্ৰীয় সহযোগিতাৰ শক্তিশালী অনুঘটক হিচাপে পৰিগণিত হৈছে। ৱেভ ছ্ বজাৰৰ আগশাৰীৰ কোম্পানীয়ে অংশগ্ৰহণ কৰা বুলি তেওঁ জানিবলৈ দিয়ে। **(মনতাজ)**

০০০০

অসমত আবৃত্তিৰ ধাৰা শীৰ্ষক শৃংখলাৰ দ্বিতীয়টো দৃষ্টিপাত আজি নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত ভাগ ল'ব বিশিষ্ট গীতিকাৰ, শিক্ষাবিদ ড° অমৰজ্যোতি চৌধুৰী, ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° বিনীতা বৰা দেৱচৌধুৰী আৰু বিশিষ্টা আবৃত্তিকাৰ জুলিয়ানা বেগমে।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত মুম্বাইত অনুষ্ঠিত ৱেভছ ২০২৫ সন্মিলনত অংশগ্ৰহণ কৰা অসমৰ কেইবাগৰাকীও প্ৰতিনিধিয়ে তেওঁলোকৰ মন্তব্য আগবঢ়াব।

এই দুয়োটা অনুষ্ঠানৰ পৰিকল্পনা, উপস্থাপন আৰু প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

আই পি এল টি টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাত কিছুসময়ৰ পাছত বেগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হবলগীয়া এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেগালুৰুৱে চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

যোৱা নিশা আহমেদাবাদত অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে ৩৮ ৰানত ছানৰাইৰ্জাছ হায়দৰাবাদক পৰাস্ত কৰে। প্ৰথমে বেট ধৰি গুজৰাট টাইটানছে নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ২২৪ ৰান কৰে। ইয়াৰ প্ৰত্যুত্তৰত ছানৰাইৰ্জাছ হায়দৰাবাদে ২০ অভাৰত ৬টা উইকেট হেৰুৱাই মাত্ৰ ১৮৬ ৰানহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়।

০০০০০

ঃঃ সমাপ্ত ঃঃ